# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম চৰকাৰৰ সহযোগত যোৰহাট কৃষি বিশ্ববিদ্যালয়ে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জিন বেংক প্ৰতিষ্ঠা কৰিছে। এই বেংকত ৭ হাজাৰ ধানৰ সঁচ সংৰক্ষণ কৰা হ'ব। বিশ্ববিদ্যালখনে যোৱা ৫ বছৰত ধান, সৰিয়হ, তিল, বেঙেনা, মাহ জাতীয় শস্য, কণী ধানকে ধৰি ২৪ বিধ শস্যৰ সঁচ উদ্ভাৱন কৰিছে। দেশৰ বিভিন্ন ৰাজ্যত উদ্ভাৱিত কেইবাবিধো শস্যৰ সঁচো বিশ্ববিদ্যালয়খনে কৃষক ৰাইজৰ সুবিধাৰ্থে অনুমোদন জনাইছে। কালি এখন সংবাদমেলত বিশ্ববিদ্যালয়খনৰ কৃষি, গৱেষণা সঞ্চালক ডঃ সঞ্জয় কুমাৰ চেতিয়াই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা কেইবছৰমানৰ ভিতৰত বিশ্ববিদ্যালয়খনৰ উদ্যোগত জহা চাউল, কাজি নেমু, গামোচা, জুদিমা আদিয়ে ভৌগোলিক সূচ্যাংক লাভ কৰিবলৈ সমৰ্থ হৈছে। তদুপৰি অৰুণাচল প্ৰদেশৰ মনপা গোমধান, কাৰ্বি আৰু দেউৰীসকলৰ পৰম্পৰাগত সাজ-পোছাক তথা অলংকাৰৰ ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ আহৰণৰ প্ৰচেষ্টাও অব্যাহত আছে বুলি তেওঁ প্ৰকাশ কৰে। যোৱা ৫ বছৰত বিশ্ববিদ্যালয়খনে চাহপাত শুকুওৱা যন্ত্ৰ, উপকাৰী ভেঁকুৰ কৰ্ষণৰ সংৰক্ষণ পদ্ধতি আৰু তৰলীকৃত জৈৱিক কীটনাশক সহ চাৰিটা প্ৰযুক্তিৰে পেটেণ্ট লাভ কৰিবলৈও সমৰ্থ হৈছে। অন্য ১১ বিধ প্ৰযুক্তি পেটেণ্টৰ বাবে আবেদন কৰা হৈছে বুলি সঞ্চালকগৰাকীয়ে কয়। কৃষক সমাজৰ সুবিধাৰ্থে বিশ্ববিদ্যালয়খনে যোৱা ৫ বছৰত ৫০ টা প্ৰযুক্তি কৌশল বাণিজ্যিকীকৰণৰ প্ৰচেষ্টাও গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয়খনে উদ্ভাৱন কৰা লাৱণ্য নামৰ ধানৰ সঁচবিধক ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ১৫ বছৰৰ বাবে পঞ্জীয়ন কৰিছে আৰু ইয়াৰ ফলত সঁচবিধৰ বাণিজ্যিকীকৰণ সম্ভৱ হ'ব বুলি সঞ্চালকগৰাকীয়ে কয়। কৃষি বিশ্ববিদ্যালয়খনে এই বছৰ শস্য ৰক্ষক নামৰ এটা ম'বাইল এপ মুকলি কৰিছে।

oooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে কৃষকৰ যিকোনো সমস্যা সমাধানত সহায় হোৱাকৈ **শস্য ৰক্ষক** নামৰ এটা মোবাইল এপ বিকশাই তুলিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালকৰ এখন সভাত এই বিষয়ে প্ৰকাশ কৰা হয়। সভাত বিশ্ববিদ্যালয়খনে শেহতীয়াকৈ খৰাং প্ৰতিৰোধী ধানৰ সঁচ উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছে বুলিও গৱেষকসকলে জানিবলৈ দিয়ে।

oooooo

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু প্ৰশাসনে আজি তৃতীয় দিনাও উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলোৱা হ'ব। কালি ১ আৰু ২ নম্বৰ পিঠাঘাটৰ ২০০ টা বাসগৃহ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত সম্পন্ন হোৱা এই অভিযানত জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্যান্য

শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্ছেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

০০০০০০

অসম গ্ৰামোন্নয়ন কেন্দ্ৰৰ উদ্যোগত কালি ডিব্ৰুগড়ত বিশ্ব শিশু সৰবৰাহ বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি এটা সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ বাণীপুৰ ৰে'লৱে ষ্টেচনত অনুষ্ঠিত কাৰ্যসূচীত ৰে'ল বিভাগৰ সুৰক্ষা বাহিনী, ৰে'লৱে পৰিসৰত চাহ বিক্ৰেতা, সহযোগী যান-বাহন পৰিচালক আৰু যাত্ৰীসকলক শিশু সৰবৰাহৰ ভয়াৱহতা সম্পৰ্কে জানিবলৈ দিয়া হয়। উপস্থিত লোকসকলক শিশু সৰবৰাহ চিনাক্তকৰণ, সৰবৰাহ ৰোধৰ বিভিন্ন উপায় সম্পৰ্কে জানিবলৈ দিয়াৰ লগতে এই সন্দৰ্ভত জৰুৰীকালীনভাৱে যোগাযোগ কৰিব পৰাকৈ ১০৯৮ আৰু ১৮০-১০২-২২২২ নম্বৰ সম্পৰ্কে অৱগত কৰা হয়।

০০০০০০

অসম বিশ্ববিদ্যালয়ত স্নাতক, স্নাতকোত্তৰ আৰু সংহত পাঠ্যক্ৰমৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। কালি পুৱাৰে পৰা বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰত ছাত্ৰ সংগঠন, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বিশ্ববিদ্যালয়ৰ শাখাৰ লগতে বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলে কয়, যে বিভিন্ন পাঠ্যক্ৰমত কৰ্তৃপক্ষই এইবছৰ ৫০ শতাংশ মাচুল বৃদ্ধি কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হৈছে।

০০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিকাচ কমিটিৰ এটা ৭ জনীয়া দলে কালি ধেমাজি জিলা ভ্ৰমণ কৰি জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। বিধায়ক নুৰুল হুদাৰ নেতৃত্বৰ দলটোৱে অসমৰ ৪ খন জিলা ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰত এই পৰ্যালোচনাৰ কাৰ্যসূচী লৈছে। দলটোৱে কালি ধেমাজি উন্নয়ন খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা, কৃষি উন্নয়ন আঁচনি, অট্টালিকা নিৰ্মাণ প্ৰকল্পকে ধৰি বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁলোকে এই উন্নয়নমূলক কাম-কাজসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰহিলৈকে দলটোৱে এই পৰ্যালোচনা কৰিব।

০০০০০০

উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলাত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া বিদ্যালয়সমূহৰ পাঠদানৰ সময় গ্ৰীষ্ম বন্ধৰ পূৰ্বে বাহাল থকা সময় অনুসৰিয়ে হ'ব বুলি জিলাখনৰ বিদ্যালয় পৰিদৰ্শকে এখন জাননীৰ জৰিয়তে প্ৰকাশ কৰিছে। সেই অনুসৰি জিলাখনৰ চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। পুনৰ জাননী নিদিয়া পৰ্যন্ত এই নিৰ্দেশ বাহাল থাকিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

সমাপ্ত